No. of Printed Pages—4

439N (AU)

[20-HKPGDEN–M2S(N)21J]

MA 2nd Semester (New) Exam., 2020

ASSAMESE

[PGAS–S2–03]

(অসমীয়া উপন্যাস)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. *(a)* অতি চমুকৈ উত্তৰ লিখক : 1×8=8

(i) 'জঙ্গম' আৰু 'সাঁচিপাতৰ পুথি'ৰ লিখক কোন ?

(ii) 'দম্দুৱা-দ্রোহ' কি শ্রেণীৰ উপন্যাস ?

(iii) বিৰিঞ্চি কুমাৰ বৰুৱাৰ ছদ্মনাম দুটা কি কি ?

(iv) 'জীৱনৰ বাটত' উপন্যাসৰ তগৰ চৰিত্রটোৰ বিষয়ে সমালোচক ভবেন বৰুৱাই কি মন্তব্য আগবঢ়াইছিল ?

(v) 'ৰূপতীর্থৰ যাত্রী' আৰু 'ৰূপাৰবিৰ পলস' কাৰ ৰচনা ?

(vi) চৈয়দ আব্দুল মালিকে ৰচনা কৰা শংকৰদেৱৰ জীৱনভিত্তিক উপন্যাসখনৰ নাম লিখক।

(vii) বীৰেন্দ্র কুমাৰ ভট্টাচার্যই আর্নেষ্ট হেমিংৱেৰ কোনখন উপন্যাস অসমীয়ালৈ অনুবাদ কৰিছিল ?

(viii) বীৰেন্দ্র কুমাৰ ভট্টাচার্যই লিখা প্রথম উপন্যাসখনৰ নাম লিখক।

(b) শুদ্ধ উত্তৰটো নির্ণয় কৰক : 1×4=4

(i) চৈয়দ আব্দুল মালিকে কোনখন উপন্যাসৰ কাৰণে সাহিত্য অকাদেমি বঁটা লাভ কৰিছিল ?

1. জীয়া জুৰিৰ ঘাট
2. অঘৰী আত্মাৰ কাহিনী
3. সূৰুযমুখীৰ স্বপ্ন
4. অন্যযুগ ভিন্ন তীর্থ

(ii) বীৰেন্দ্র কুমাৰ ভট্টাচার্যই 'জ্ঞানপীঠ বঁটা' লাভ কৰিছিল

1. ১৯৬১ চনত
2. ১৯৭৯ চনত
3. ১৯৭৮ চনত
4. ১৯৮৫ চনত

(iii) খুটিংলা হৈছে

1. 'ৰাজপথে ৰিঙিয়ায়' উপন্যাসৰ চৰিত্র
2. 'জীৱনৰ বাটত' উপন্যাসৰ চৰিত্র
3. 'দন্দুৰা-দ্রোহ' উপন্যাসৰ চৰিত্র
4. 'মৃত্যুঞ্জয়' উপন্যাসৰ চৰিত্র

(iv) হোমেন বৰগোহাঞিৰ এখন গল্পপুথি হৈছে

1. সুবালা
2. অন্তৰাগ
3. পিতা-পুত্র
4. বিভিন্ন কোৰাছ

(c) খালী ঠাঁই পূৰ কৰক : 1×4=4

(i) হোমেন বৰগোহাঞিৰ প্রথম প্রকাশিত চুটিগল্পটো হৈছে _____ ।

(ii) "ঐ খেকাৰ খোৰা, ঐ মুখত পোক লগা ...
কাক 'ডোম ডোম' বুলিছ ?"
এই সংলাপটো কৈছিল _____এ ।

(iii) মামণি ৰয়ছম গোস্বামীৰ গৱেষণাৰ বিষয়টো হৈছে _____ ।

(iv) মামণি ৰয়ছম গোস্বামীৰ প্রকৃত নাম হৈছে _____ ।

(Continued)

2. তলত দিয়া যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) বিৰিঞ্চি কুমাৰ বৰুৱাৰ উপন্যাসৰ দুটা বৈশিষ্ট্য লিখক।

(b) 'জীৱনৰ বাটত' উপন্যাসত নগৰীয়া জীৱনৰ জটিল ৰূপটোৰ কেনেদৰে প্ৰকাশ ঘটিছে, এটি আভাস দিয়ক।

(c) 'ৰাজপথে ৰিঙিয়ায়' উপন্যাসৰ নুৰবিবি চৰিত্ৰটোৰ বিষয়ে চমুকৈ লিখক।

(d) 'মৎস্যগন্ধা'ৰ ভাষাৰ দুটা বৈশিষ্ট্য লিখক।

(e) 'মৎস্যগন্ধা'ৰ কেন্দ্ৰীয় চৰিত্ৰটোৰ বিষয়ে চমুকৈ লিখক।

(f) অসমীয়া উপন্যাস সাহিত্যত হোমেন বৰগোহাঞিৰ স্থান কেনেধৰণৰ?

3. তলত দিয়া যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০ শব্দৰ ভিতৰত) : 3×4=12

(a) 'জীৱনৰ বাটত' উপন্যাসত সমাজ-বাস্তৱতাৰ প্ৰকাশ কেনেদৰে ঘটিছে?

(b) 'জীৱনৰ বাটত' উপন্যাসৰ কমলাকান্ত চৰিত্ৰটোৰ চমু বিশ্লেষণ দাঙি ধৰক।

(c) চৈয়দ আব্দুল মালিকৰ উপন্যাসত মানৱীয় প্ৰমূল্যৰ চিত্ৰ কেনেদৰে প্ৰকাশ পাইছে?

(d) বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ উপন্যাসৰ বৈশিষ্ট্যসমূহ চমুকৈ লিখক।

(e) ৰাজনৈতিক উপন্যাস হিচাপে 'ৰাজপথে ৰিঙিয়ায়' উপন্যাসৰ এটা সংক্ষেপ বিশ্লেষণ দাঙি ধৰক।

4. তলত দিয়া যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) প্ৰাক্-স্বাধীনতা আৰু স্বৰাজোত্তৰকালৰ অসমীয়া উপন্যাসৰ বিষয়বস্তুৰ বিষয়ে তুলনামূলক আলোচনা এটা দাঙি ধৰক।

(b) 'দন্দুৱা-দ্ৰোহ' উপন্যাসত বুৰঞ্জীৰ সমল আৰু জনশ্ৰুতিৰ প্ৰভাৱ কেনেধৰণৰ?

(c) 'মৎস্যগন্ধা'ত প্ৰান্ত সমাজৰ চিত্ৰ কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰক।

(d) মামণি ৰয়ছম গোস্বামীৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

5. তলত দিয়া যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৩০০ শব্দৰ ভিতৰত) : 8×3=24

(a) অসমীয়া উপন্যাসৰ প্ৰস্তুতি পৰ্বত কোনবোৰ কাৰকে, কেনেদৰে ক্ৰিয়া-প্ৰতিক্ৰিয়া কৰিছিল, আলোচনা কৰক।

(b) ৰজনীকান্ত বৰদলৈৰ উপন্যাসত প্ৰকাশিত ধৰ্মীয় দিশ সম্বন্ধে 'দন্দুৱা-দ্ৰোহ'ৰ আধাৰত এটা বিশ্লেষণ আগবঢ়াওক।

(c) চৈয়দ আব্দুল মালিকৰ 'জীয়া জুৰিৰ ঘাট'ৰ চৰিত্ৰ-চিত্ৰণৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

(d) 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসত ঔপন্যাসিকৰ সংস্কাৰাত্মক মনোভাৱৰ প্ৰকাশ কেনেদৰে ঘটিছে, আলোচনা কৰক।

★★★